দেশ

‘নেহৰুৰ দিনতেই কংগ্রেছে ভোট চুৰি কৰিছিল,নহ'লে নেহৰুৰ সলনি পেটেল প্রধানমন্ত্রী হ’লহেঁতেন’— বিজুলী কলিতা মেধি

১৯৪৬ চনৰ নেহৰু-পেটেলৰ নেতৃত্বৰ প্রসংগ উত্থাপন কৰি কংগ্রেছৰ বিৰুদ্ধে ভোট চুৰিৰ অভিযোগ তুলিছে বিজেপি সাংসদ বিজুলী কলিতা মেধিয়ে। তেওঁৰ মতে, কংগ্রেছে ভোট চুৰি নকৰা হ'লে চর্দাৰ বল্লভভাই পেটেল ভাৰতৰ প্রথম প্রধানমন্ত্রী হ'লহেঁতেন।

প্রকাশ: ৮ নৱেম্বৰ ২০২৬, আবেলি ৬:১০



গুৱাহাটী, ৮ নৱেম্বৰ, ২০২৬:

কংগ্রেছৰ বিৰুদ্ধে ভোট চুৰিৰ অভিযোগ উত্থাপন কৰি পুনৰ ৰাজনৈতিক আক্রমণ বিজেপিৰ। এইবাৰ প্রাক্তন প্রধানমন্ত্রী জৱাহৰলাল নেহৰুৰ সময়ৰ ৰাজনৈতিক ঘটনাৰ প্রসংগ টানি কংগ্রেছক সমালোচনা কৰিছে গুৱাহাটী লোকসভা সমষ্টিৰ বিজেপি সাংসদ বিজুলী কলিতা মেধিয়ে। তেওঁৰ মন্তব্য, ‘জৱাহৰলাল নেহৰুৰ দিনতেই

কংগ্রেছ দলে ভোট চুৰি কৰিছিল। কংগ্রেছে ভোট চুৰি নকৰা হ'লে জৱাহৰলাল নেহৰুৰ সলনি চর্দাৰ বল্লভভাই পেটেল প্রধানমন্ত্রী হ'লহেঁতেন।’

বিজুলী কলিতা মেধিয়ে ১৯৪৬ চনৰ কংগ্রেছৰ আভ্যন্তৰীণ নেতৃত্ব নির্বাচনৰ প্রসংগ উত্থাপন কৰি এই মন্তব্য কৰে। তেওঁৰ মতে, সেই সময়ত কংগ্রেছৰ অধিকাংশ প্রাদেশিক সমিতিয়ে চর্দাৰ বল্লভভাই পেটেলৰ নাম সমর্থন কৰিছিল। তাৰ পাছতো জৱাহৰলাল নেহৰু ভাৰতৰ প্রথম প্রধানমন্ত্রী হোৱাক লৈ তেওঁ প্রশ্ন উত্থাপন কৰে।

ঐতিহাসিক তথ্য অনুসৰি, ১৯৪৬ চনত ভাৰতৰ স্বাধীনতাৰ পূর্বে ভাৰতীয় জাতীয় কংগ্রেছৰ সভাপতি নির্বাচনৰ প্রক্রিয়া আৰম্ভ হৈছিল। সেই সময়ত কংগ্রেছৰ সভাপতিৰ পদটো বিশেষ গুৰুত্বপূর্ণ আছিল, কিয়নো সভাপতিগৰাকীয়ে ব্রিটিছৰ অধীনত গঠন হ'বলগীয়া অন্তৰ্তী চৰকাৰৰ নেতৃত্ব দিয়াৰ সম্ভাৱনা আছিল।

এই প্রক্রিয়াত ১৫খন প্রাদেশিক কংগ্রেছ কমিটীৰ ভিতৰত ১২খনে চর্দাৰ বল্লভভাই পেটেলৰ নাম প্রস্তাৱ কৰিছিল বুলি ঐতিহাসিক প্রতিবেদনত উল্লেখ আছে। আনহাতে, কোনো এখন প্রাদেশিক সমিতিয়ে নেহৰুৰ নাম প্রস্তাৱ কৰা নাছিল বুলি প্রকাশ পাইছে।

১৯৪৬ চনৰ এই নেতৃত্ব নির্বাচনৰ সময়ত মহাত্মা গান্ধীয়ে জৱাহৰলাল নেহৰুৰ প্রতি সমর্থন প্রকাশ কৰিছিল। পৰৱর্তী সময়ত আচার্য জে বি কৃপালানীয়ে নেহৰুৰ নাম প্রস্তাৱ কৰে। ইয়াৰ পাছত কৃপালানী আৰু চর্দাৰ পেটেলে নিজৰ প্রার্থিত্ব প্রত্যাহাৰ কৰে।

ফলত নেহৰু বিনা প্রতিদ্বন্দ্বিতাৰে কংগ্রেছৰ সভাপতি নির্বাচিত হয়। প্রায় এমাহৰ পাছত তেওঁক অন্তৰ্তী চৰকাৰ গঠনৰ বাবে আমন্ত্রণ জনোৱা হয়।

উল্লেখ্য যে, ৩১ অক্টোবৰ, ২০২৬ত বিজেপিৰ ৰাষ্ট্রীয় মুখপাত্র সম্বিত পাত্রইও নেহৰু-পেটেলৰ এই ঐতিহাসিক প্রসংগ উত্থাপন কৰি কংগ্রেছক ‘ভোট চুৰি’ৰ অভিযোগেৰে আক্রমণ কৰিছিল।

বিজুলী কলিতা মেধিৰ শেহতীয়া মন্তব্যই নেহৰু-পেটেলৰ ঐতিহাসিক নেতৃত্বৰ প্রসংগক পুনৰবাৰ সমসাময়িক ৰাজনৈতিক বিতর্কৰ মাজলৈ আনিছে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/1315/bijuli-kalita-medhi-congress-vote-theft-nehru-sardar-patel